# MEMORANDUM OF ASSOCIATION

Fees Rs. 2000.00

[Registration Under Societies Registration Act, XXI of 1860]

সমিতিৰ স্মাৰক লিপি

পঞ্জীয়ন মাচুল ২০০০.০০/- টকা

(সমিতি পঞ্জীকৰণ আইনৰ ১৮৬০ চনৰ ২১ দফা মৰ্মে)

1. Name of the Society :
   সমিতিৰ নাম ঃ টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ

   **Teok C.K.B. College Alumni Association**

2. The Office of the Society is situated in the Provinces/ State :
   সমিতিৰ কাৰ্যালয়ৰ ঠিকনা ঃ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক
   পোঃ – জগদুৱাৰ পিন নং -৭৮৫১১২

3. The objects for which the Society is established are :- ( The object must be Art & culture, Environment, Science& Technology, Rural Development, Education, Health, Women & Child Welfare, Agriculture etc.) :
   সমিতিৰ উদ্দেশ্যাৱলী – (কলা আৰু সংস্কৃতি, পৰিবেশ, বিজ্ঞান আৰু প্ৰযুক্তি, গ্ৰাম্য উন্নয়ন, শিক্ষা, স্বাস্থ্য, মাতৃ আৰু শিশুকল্যাণ, কৃষি উন্নয়ন ইত্যাদি) ঃ

   ক) কলা আৰু সংস্কৃতি

   খ) পৰিবেশ

   গ) বিজ্ঞান আৰু প্ৰযুক্তি

   ঘ) গ্ৰাম্য উন্নয়ন

   ঙ) শিক্ষা

   চ) স্বাস্থ্য

   ছ) মাতৃ আৰু শিশুকল্যাণ

   জ) কৃষি উন্নয়ন

4. The Names, address and designation of the present members of the Executive Committee
বৰ্তমান কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ নাম, ঠিকনা , ব্যৱসায় আৰু পদবী –

| সম্পূৰ্ণ নাম | ঠিকনা আৰু বৃত্তি | পদবী |
|---|---|---|
| শ্ৰীযুত ৰজনী বৰুৱা | ঠিকনা -চাপৰি গোহাঁই গাঁও<br>পো ঃঅ - বামুন পুখুৰী জিলা – যোৰহাট<br>বৃত্তি – জ্যোতিষী | সভাপতি |
| শ্ৰীযুত নৰেন্দ্ৰনাথ শইকীয়া | ঠিকনা -দ গুৱাল গাঁও<br>পো ঃঅ - টীয়ক, যোৰহাট জিলা – যোৰহাট<br>বৃত্তি – প্ৰাক্তন সহযোগী অধ্যাপক | উপ - সভাপতি |
| শ্ৰীযুত জিন্টু ৰাজখোৱা | ঠিকনা -টীয়ক টিঙ্গৰ গাঁও<br>পো ঃঅ - টীয়ক, যোৰহাট জিলা – যোৰহাট<br>বৃত্তি – সহযোগী অধ্যাপক | উপ - সভাপতি |
| শ্ৰীযুত সুনীল কুমাৰ ভট্টাচাৰ্য | ঠিকনা -শিৰোমণি গাঁও<br>পো ঃঅ - বামুন পুখুৰী জিলা – যোৰহাট<br>বৃত্তি – সহযোগী অধ্যাপক | যুটীয়া সম্পাদক |
| শ্ৰী দিগন্ত বৰা | ঠিকনা -জাঁজীমুখ ভকত গাঁও<br>পো ঃঅ - জাঁজীমুখ জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায়ী | যুটীয়া সম্পাদক |
| শ্ৰী মিনাক্ষী মিলি | ঠিকনা -যোৰহাট<br>পো ঃঅ - যোৰহাট জিলা – যোৰহাট<br>বৃত্তি – সহকাৰী অধ্যাপক | যুটীয়া সহঃসম্পাদক |
| শ্ৰী অনুপম বৰা | ঠিকনা -জাঁজীমুখ ভকত গাঁও<br>পো ঃঅ - জাঁজীমুখ জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায়ী | যুটীয়া সহঃসম্পাদক |
| শ্ৰী ৰিজু কুমাৰ শইকীয়া | ঠিকনা -টীয়ক<br>পো ঃঅ - টীয়ক জিলা – যোৰহাট<br>বৃত্তি – সাংবাদিক | যুটীয়া সাংগঠনিক সম্পাদক |
| শ্ৰী কল্যাণী বৰুৱা | ঠিকনা -টীয়ক<br>পো ঃঅ - টীয়ক জিলা – যোৰহাট<br>বৃত্তি – গ্ৰন্থাগাৰ সহায়িকা | যুটীয়া সাংগঠনিক সম্পাদক |
| শ্ৰী ভাগ্যশ্ৰী তামূলী | ঠিকনা -বনাই<br>পো ঃঅ - বনাই জিলা – যোৰহাট<br>বৃত্তি – প্ৰবক্তা | সহিত্য বিভাগৰ সম্পাদক |
| শ্ৰী প্ৰণয় বাৰুৱতী | ঠিকনা -কলিয়াপানী<br>পো ঃঅ - জগদুৱাৰ জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায় | সাংস্কৃতিক বিভাগৰ সম্পাদক |
| শ্ৰী চম্পক ভূএঃা | ঠিকনা -গুৱাল গাঁও<br>পো ঃঅ - টীয়ক জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায় | কোষাধ্যক্ষ |

| | | |
|---|---|---|
| শ্ৰী অলিভা দাস | ঠিকনা -চেলেংহাট<br>পো ঃঅ - চেলেংহাট জিলা – যোৰহাট<br>বৃত্তি – প্ৰবক্তা | কাৰ্যকৰী সদস্য |
| শ্ৰী তনয়জ্যোতি শৰ্মা | ঠিকনা -জগদুৱাৰ<br>পো ঃঅ - জগদুৱাৰ জিলা – যোৰহাট<br>বৃত্তি – শিক্ষক | কাৰ্যকৰী সদস্য |
| শ্ৰী গোবিন্দ বৰা | ঠিকনা -বনাই<br>পো ঃঅ - বনাই জিলা – যোৰহাট<br>বৃত্তি – শিক্ষক | কাৰ্যকৰী সদস্য |
| শ্ৰী কৃষ্ণাপ্ৰিয়া দাস | ঠিকনা -টীয়ক<br>পো ঃঅ - টীয়ক জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায় | কাৰ্যকৰী সদস্য |
| শ্ৰী অৰুণ দাস | ঠিকনা -বনাই<br>পো ঃঅ - বনাই জিলা – যোৰহাট<br>বৃত্তি – শিক্ষক | কাৰ্যকৰী সদস্য |
| শ্ৰী মুকুল বৰা | ঠিকনা -বনাই<br>পো ঃঅ - বনাই জিলা – যোৰহাট<br>বৃত্তি – শিক্ষক | কাৰ্যকৰী সদস্য |
| ড০ মৌচুমী ৰেখা খাউণ্ড | ঠিকনা -যোৰহাট<br>পো ঃঅ - যোৰহাট জিলা – যোৰহাট<br>বৃত্তি – সহকাৰী অধ্যাপক | কাৰ্যকৰী সদস্য |
| শ্ৰী ৰাজু দাস | ঠিকনা -বনাই পথলিয়াল<br>পো ঃঅ - বনাই জিলা – যোৰহাট<br>বৃত্তি – ব্যৱসায় | কাৰ্যকৰী সদস্য |
| শ্ৰী বেণুধৰ বৰা | ঠিকনা -ইন্দ্ৰপ্ৰস্থ যোৰহাট<br>পো ঃঅ - যোৰহাট জিলা – যোৰহাট<br>বৃত্তি – প্ৰাক্তন সহযোগী অধ্যাপক | কাৰ্যকৰী সদস্য |
| শ্ৰী চন্দন জ্যোতি ভূঞা | ঠিকনা -গুৱাল গাঁও<br>পো ঃঅ - টীয়ক জিলা – যোৰহাট<br>বৃত্তি – শিক্ষক | কাৰ্যকৰী সদস্য |
| শ্ৰী নিৰ্মলী দত্ত | ঠিকনা - কাকজান ঢাৰি গাঁও<br>পো ঃঅ - কাকজান জিলা – যোৰহাট<br>বৃত্তি – কৰ্মচাৰী | কাৰ্যকৰী সদস্য |
| শ্ৰী চিন্ময় জ্যোতি বৰুৱা | ঠিকনা - মুদৈজান<br>পো ঃঅ - মুদৈজান জিলা – যোৰহাট<br>বৃত্তি – বেংক কৰ্মচাৰী | কাৰ্যকৰী সদস্য |

## RULES AND REGULATION

1. Name of the Society :
সমিতিৰ নাম ঃ টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ

**Teok C.K.B. College Alumni Association**

2. Address of the main office of this Society :
সমিতিৰ কাৰ্যালয়ৰ ঠিকনা ঃ চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়ক

পোঃ – জগদুৱাৰ পিন নং -৭৮৫১১২

3. Area of operation :-(Area of operation means the area of activity)
সমিতিৰ পৰিসীমা ঃ

টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ পৰিসীমা তথা এই মহাবিদ্যালয়ত বিভিন্ন এলেকাৰ পৰা আহি পঢ়ি ওলাই যোৱা ছাত্ৰ-ছাত্ৰীসকলক লৈ এই মঞ্চ গঠন হ'ব আৰু ইয়াৰ পৰিসৰো ঠিক তেনেধৰণে নিৰ্দ্ধাৰিণ কৰা হ'ব।

4. Object :- (The objects should be written elaborately and should be the same as written in the Memorandum of the Society)
সমিতিৰ উদ্দেশ্যাৱলী –(উদ্দেশ্যবোৰ স্মাৰক লিপিৰ ৩ নং দফাত দিয়াৰ দৰে বহলাই লিখিব লাগিব)-

১) **<u>কলা আৰু সংস্কৃতি –</u>**

ক) জনসাধাৰণৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক দৃষ্টিভংগীৰ উৎকৰ্ষ সাধন আৰু সামগ্ৰিক উন্নয়ন ।

খ) অঞ্চলটিত এটা সুস্থ সবল পৰিবেশ সৃষ্টি কৰি সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশৰ বিকাশ আৰু উন্নতিৰ চিন্তা আৰু কাৰ্য্যসূচী ৰূপায়ণ কৰা।

গ) মহাবিদ্যালয়খনত কায়িক, শৈক্ষিক, সামাজিক, সাংস্কৃতিক, খেলাধূলা আদিৰ ক্ষেত্ৰত উপকাৰ সাধন হোৱাকৈ আঁচনি যুগুতাই কৰ্মক্ষেত্ৰত আগবঢ়া।

ঘ) বিভিন্ন জাতি-জনজাতিৰ মাজত জাতীয় সংহতি আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ ভাব জগাই তোলা।

ঙ) সমাজৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন ধৰণৰ সাংস্কৃতিক, আধ্যাত্মিক কাৰ্যসূচী গ্ৰহণ কৰা।

২) **পৰিবেশ-**

ক) পৰিবেশ সংৰক্ষণৰ বাবে গছ পুলি ৰোপণ আৰু প্ৰতিপালন কৰা।

খ) অঞ্চলটিত এটা স্বাস্থ্যসন্মত পৰিবেশৰ সৃষ্টি কৰিবলৈ এই মঞ্চই মানুহৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ চেষ্টা কৰিব।

গ) প্লাষ্টিকৰ ব্যৱহাৰ পৰিহাৰ কৰিবলৈ প্লাষ্টিকৰ পৰা হোৱা অপকাৰ সম্পৰ্কে বিশেষ সজাগতা সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

ঘ) পৰিস্কাৰ খোৱা পানীৰ যোগানৰ বাবে বিভিন্ন চৰকাৰী-বেচৰকাৰী সংস্থাৰ লগত সহযোগ কৰা।

৩) **বিজ্ঞান আৰু প্ৰযুক্তি –**

ক) মানুহৰ মাজত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জনপ্ৰিয়তা আৰু উন্নীতকৰণত অৰিহণা যোগোৱা।

খ) সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগক্ষেত্ৰ চিনাক্তকৰণ আৰু প্ৰয়োগত অনুপ্ৰাণিত কৰা।

গ) অন্ধবিশ্বাস দূৰ কৰি বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাবলৈ সজাগতা সৃষ্টিত অৰিহণা যোগোৱা।

৪) **গ্ৰাম্য উন্নয়ন –**

ক) অঞ্চলটোৰ সমস্যাৰাজিৰ জৰীপ, অধ্যয়ন, গৱেষণা আৰু আৰ্থ-সামাজিক দিশৰ মূল্যাংকন কৰা আৰু আলোচনী, প্ৰচাৰ-পত্ৰিকা ইত্যাদি প্ৰকাশৰ জৰিয়তে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা।

খ) চৰকাৰৰ গ্ৰাম্য উন্নয়নৰ বিভিন্ন কাৰ্যসুচী আৰু আঁচনিবোৰৰ সম্পৰ্কে জনসাধাৰণক সজাগ কৰিবৰ বাবে সজাগতা সভা, প্ৰশিক্ষণ শিবিৰ আদিৰ আয়োজন কৰা।

গ) বিভিন্ন ধৰণৰ সমাজ কল্যাণমূলক আৰু স্বেচ্ছাসেৱী কাৰ্যকলাপৰ যোগেদি সাধাৰণ মানুহৰ সেৱা কৰা।

ঘ) অঞ্চলটোৰ জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতা শিবিৰ, বিনামূলীয়া চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা।

ঙ) গ্ৰামাঞ্চলৰ জনসাধাৰণ আৰু মহাবিদ্যালয়ৰ শিক্ষক , ছাত্ৰ-ছাত্ৰীৰ মাজত সু-সমন্বয় ৰক্ষা কৰি এটা সুস্থ পৰিবেশৰ সৃষ্টি কৰা।

চ) অঞ্চলটিত এটা স্বাস্থ্যসন্মত পৰিৱেশ সৃষ্টি কৰিবলৈ এই মঞ্চই পৰিস্কাৰ খোৱা পানী যোগান, সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ বাবে স্বাস্থ্য সজাগতা শিবিৰ, বিনামূলীয়া চিকিৎসা আদিৰ সেৱা আগবঢ়াব।

ছ) মহাবিদ্যালয়খনিৰ জন্মলগ্নৰে পৰা অশেষ ত্যাগ স্বীকাৰ কৰা ব্যক্তি আৰু প্ৰাক্তন ছাত্ৰ –ছাত্ৰী যিসকল ইতিমধ্যে মৃত্যুবৰণ কৰিছে তেখেতসকলৰ, স্মৃতি যুগমীয়া কৰিবলৈ বিভিন্ন নিৰ্মাণ কাৰ্য্য ও কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা।

জ) মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া অঞ্চলটোৰ জনকল্যাণমূলক তথা আৰ্থসামাজিক উন্নতিৰ হকে কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে ভাষা সাহিত্যৰ উন্নতি আৰু প্ৰচাৰ কৰা কামত অগ্ৰসৰ হোৱা।

৫) <u>শিক্ষা –</u>

ক) সময়ে সময়ে বিভিন্ন শৈক্ষিক বিষয়ৰ আলোচনাচক্ৰৰ আয়োজন কৰি জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰসাৰ আৰু সামাজিক সচেতনতা বৃদ্ধি কৰা ।

খ) ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক শিক্ষাৰ প্ৰসাৰ, খেলা-ধূলা আৰু সু-স্বাস্থ্যৰ বাবে যোগ, শৰীৰচৰ্চা আদিৰ প্ৰসাৰৰ বাবে যত্নপৰ হোৱা যাতে আজিৰ ছাত্ৰসকল নিজকে একোজন সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰে ।

গ) অঞ্চলটোৰ দুখীয়া ছাত্ৰ- ছাত্ৰীসকলক চিনাক্ত কৰি সিবিলকক বিনামূলীয়া কিতাপ পত্ৰ প্ৰদান অথবা আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা কীৰ্তি ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানি দিয়াৰ ব্যৱস্থা কৰা আৰু প্ৰয়োজন হ'লে এই সন্দৰ্ভত ছাত্ৰ ন্যাস পুঁজি গঠন কৰা।

ঘ) মঞ্চই সময়ে সময়ে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্যক্ৰমণিকাৰ আয়োজন কৰি জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰসাৰ আৰু সামাজিক সচেতনতা বৃদ্ধি কৰা ।

ঙ) প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিনামূলীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলৰ অনুমোদিত পাঠ্যক্ৰমৰ পাঠ দিয়া,প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে তেওঁলোকক প্ৰশিক্ষণ দিয়া আদি ।

৬) <u>স্বাস্থ্য –</u>

ক) 'স্বাস্থ্যই পৰম ধন' - এই কথা সৰোগত কৰি সুস্বাস্থ্যৰ বাবে ছাত্ৰ-ছাত্ৰী তথা অঞ্চলটিৰ ৰাইজৰ মাজত সজাগতা শিবিৰ আয়োজন কৰা । এইক্ষেত্ৰত সভা , বেনাৰ, পোষ্টাৰ আদিৰ ব্যৱস্থা কৰা ।

খ) সময়ে সময়ে চকু চিকিৎসা শিবিৰ, সাধাৰণ স্বাস্থ্য শিবিৰ আদিৰ জিলা স্বাস্থ্য বিভাগ, স্বেচ্ছাসেৱী সংগঠন আদিৰ সহায়ত আযোজন কৰা ।

গ) স্বাস্থ্য ৰক্ষাৰ বাবে যোগাসনৰ গুৰুত্বৰ বিষয়ে জনসাধাৰণক সচেতন কৰা ।

ঘ) সময়ে সময়ে বিভিন্ন জৰুৰীকালীন স্বাস্থ্যসেৱাৰ ব্যৱস্থা কৰা ।

৭) <u>মাতৃ আৰু শিশুকল্যাণ –</u>

ক) মাতৃ আৰু শিশুৰ কল্যাণৰ বাবে স্বাস্থ্য আৰু পুষ্টিৰ বিকাশৰ ক্ষেত্ৰত সজগতা সৃষ্টি কৰা ।

খ) মাতৃ আৰু শিশুসকলৰ সামাজিক সুৰক্ষা আৰু অধিকাৰসমূহৰ বিষয়ে সচেতন কৰিবলৈ বিশেষভাৱে যত্নপৰ হোৱা ।

গ) সকলো শিশুকে আনুষ্ঠানিক শিক্ষাৰ আওঁতালৈ আনিবলৈ চেষ্টা কৰা । এইক্ষেত্ৰত বিশেষ সজাগতাৰ সৃষ্টি কৰা ।

ঘ) শিশু শ্ৰমিক ৰোধ কৰাৰ ক্ষেত্ৰত জাগ্ৰত হোৱা ।

৮) **কৃষি উন্নয়ন –**

ক) কৃষি ক্ষেত্ৰৰ উন্নতিৰ বাবে কৃষিৰ আধুনিকীকৰণৰ বাবে মঞ্চই বিভিন্ন ধৰণে গুৰুত্ব প্ৰদান কৰিব ।

খ) পৰম্পৰাগত কৃষি কাৰ্য্যৰ উপৰিও মীন পালন, পশু পালন, হাঁহ কুকুৰা পালন আদি বহুমুখী কৃষি কাৰ্য্যৰ প্ৰতি কৃষক সকলক অনুপ্ৰাণিত কৰিবলৈ সময়ে সময়ে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব ।

গ) কৃষিজাত দ্ৰব্যৰ বিপৰ্ননৰ বাবে পথাৰ-বজাৰ সংযোগত সহযোগিতা কৰিব ।

ঘ) চৰকাৰী আচঁনিবোৰৰ বিষয়ে কৃষকক অনগত কৰিবলৈ সজাগতা সভাৰ অনুস্থিত কৰা ।

ঙ) নিবনুৱা যুৱক-যুৱতী সকলক কৃষি, মীন পালন, পশুপালন, হস্ত- শিল্প আৰু বয়ন শিল্প আদিত স্ব-নিয়োজনৰ বাবে প্ৰশিক্ষণ দিয়া ।

5. MEMBERSHIP :

সভ্যপদ ঃ

*(a) Qualification to become Members*

***সভ্য হ'বলৈ যোগ্যতা ঃ*** অনুচ্ছেদ-২ ত উল্লেখ থকা মতে পৰিসীমাৰ ভিতৰৰ তথা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী এই মঞ্চৰ সদস্য/সদস্যা হ'ব পাৰিব।

*(b) Subscription, Donation etc. –*

***সভ্য ভৰ্ত্তিৰ বৰঙণিঃ*** এই মঞ্চৰ সদস্য ভৰ্ত্তি হ'বলৈ পঞ্জীয়ন পত্ৰত নিজৰ নাম ঠিকনা সহ ভৰ্ত্তি মাচুল ২০.০০ টকা আদায় দিব লাগিব।

*(c) Collection of Fund -*

***পুঁজি সংগ্ৰহ ঃ*** গঠন: সদস্য ভৰ্ত্তি মাচুল, শুভাকাঙ্ক্ষী সদস্য/সদস্যাৰ দান বৰঙণি, চৰকাৰৰ পৰা দান অনুদান আৰু অন্যান্য বিধিসন্মত উপায়েৰে সংগ্ৰিহিত অৰ্থৰে মঞ্চৰ পুঁজি গঠন হ'ব।

*(d) Control of Fund-*

***পুঁজি নিয়ন্ত্ৰণঃ*** বিত্তীয় দায়বদ্ধতা মূলত: সাধাৰণ সম্পাদকৰ হাতত থাকিব আৰু কাৰ্য্যকৰী সভাৰ সিদ্ধান্ত মতে খৰচৰ ব্যৱস্থা গ্ৰহণ কৰিব।সভাপতি আৰু সম্পাদকৰ যুটীয়া স্বাক্ষৰত অথবা সম্পাদক আৰু কোষাধ্যক্ষৰ যুটীয়া স্বাক্ষৰত ৰাষ্ট্ৰীয়কৃত বেংক অথবা চৰকাৰী ডাক ঘৰত হিচাপ ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

6. **Procedure of the General Meeting : (How many times in a year the General Meeting will be held –**

সাধাৰণ সভাৰ বৈঠকৰ নিয়ম ঃ (সাধাৰণ সভা বছৰত কেইবাৰ বহিব লিখি দিব)

ক) মঞ্চৰ অন্তৰ্ভুক্ত সকলো সদস্যই সাধাৰণ সভাৰ সদস্য হ'ব।

খ) সাধাৰণ সভা বছৰেকত দুখনকৈ অনুষ্ঠিত হ'ব।

গ) সম্পাদকে সভাপতিৰ লগত পৰামৰ্শ কৰি সাধাৰণ সভাৰ বৈঠক আহ্বান কৰিব।

ঘ) পঞ্জীয়ন ভূক্ত সদস্যৰ ১/৩ অংশৰ উপস্থিতিত সভাৰ মূল হ'ব।

ঙ) বিশেষ জৰুৰী বৈঠক আহ্বান কৰিব লগা হ'লে কমেও ১/২ অংশ সাধাৰণ সদস্যই স্বাক্ষৰ কৰি সভাপতিলৈ পত্ৰ প্ৰেৰণ কৰিব লাগিব।

7. **Quorum of the General Meeting -**

সাধাৰণ সভাৰ বৈঠকৰ থূল ঃ ( সাধাৰণ সভাৰ সভ্য কিমান উপস্থিত থাকিলে সভাৰ থূল হ'ব লিখিব)

পঞ্জীয়ন ভূক্ত সদস্যৰ ১/৩ অংশৰ উপস্থিতিত সভাৰ থূল হ'ব।

8. **Election procedure of the Executive Committee /Governing body / Managing Committee -**

কাৰ্য্যকৰী সমিতিৰ নিৰ্বাচন পদ্ধতি ঃ

নতুন কাৰ্য্যকৰী সমিতি ৩ বছৰৰ মূৰত গঠন হ'ব। ইয়াৰ বিষয়ববীয়াসকল প্ৰয়োজন সাপেক্ষে নিৰ্বাচনৰ নতুবা সৰ্বসন্মতিক্ৰমে সাধাৰণ সভাত নিৰ্বাচিত হ'ব।

9. **Short description of the Executive body :- (This description must tally with the list given in the item 4 of Memorandum copy)**

কাৰ্য্যকৰী সমিতিৰ চমু বৰ্ণনা – (এই বিৱৰণ স্মাৰক লিপিৰ ৪নং দফাত দিয়াৰ দৰে মিলিব লাগিব)

কাৰ্য্যকৰী সভা /সমিতি খন ২৫ জনতকৈ অধিক সদস্যৰে গঠিত হ'ব নোৱাৰিব। তলত উল্লেখ কৰা ধৰণে কাৰ্য্যকৰী সভা গঠন হ'ব।

১/ সভাপতি –১ জন

২/ উপ সভাপতি –২ জন

৩/ সাধাৰণ সম্পাদক -২ জন

৪/ সহ: সম্পাদক -২ জন

৫/ সাংগঠনিক সম্পাদক – ২ জন

৬/ সাহিত্য আৰু সাংস্কৃতিক বিভাগৰ প্ৰত্যেকৰে ১ জনকৈ মুঠ ২জন

৭/ কোষাধ্যক্ষ- ১জন

৮/বিশেষ আমন্ত্রিত সক্রিয় সদস্য- ২ জন

**10. The term of the Executive body**
কাৰ্য্যকৰী সমিতিৰ কাৰ্য্যকাল ঃ

কাৰ্য্যকৰী সমিতিৰ কাৰ্য্যকাল ৩ বছৰ হ'ব।তিনি বছৰৰ অন্তত সাধাৰণ সভা/ অধিবেশনত এই সমিতি গঠন হ'ব।

**11. Procedure of Re-election of the members of the Executive body:**
কাৰ্য্যকৰী সমিতিৰ পুনঃ নিৰ্বাচন পদ্ধতি ঃ

যদি সন্তোষজনক ভাৱে কাৰ্য্যকৰী সমিতিৰ সদস্যসকলে কাম পৰিচালনা কৰিব পাৰে তেন্তে তেওঁলোকক সাধাৰণ সাধাৰণ সভাই পুনৰ দায়িত্ব অৰ্পণ কৰিব পাৰে।

**12. Procedure of the meeting of the Executive body (How many times in a year or month the meeting of the Executive body will be held)**
কাৰ্য্যকৰী সমিতিৰ বৈঠকৰ নিয়ম– (বছৰ বা মাহত কিমানবাৰ কাৰ্য্যকৰী সমিতিৰ বৈঠক বহিব বা অনুষ্ঠিত হ'ব।)ঃ

সাধাৰণ সভা বছৰেকত দুখনকৈ অনুষ্ঠিত হ'ব।

13. **Quorum of the meeting of the Executive body :- (How many of the members of the executive body required to be** present to form quorum of the meeting of the executive body)
কাৰ্য্যকৰী সমিতিৰ বৈঠকৰ থূল – (কাৰ্য্যকৰী সমিতিৰ কিমানজন সদস্য উপস্থিত থাকিলে কাৰ্য্যকৰী সমিতিৰ থূল হ'ব )ঃ

পঞ্জীয়ন ভূক্ত সদস্যৰ ১/৩ অংশৰ উপস্থিতিত সভাৰ থূল হ'ব।

**14. Expulsion of undesirable member Any member who goes against the Rules and Regulation of the organisation may be expelled from the organisation.**

সমিতিৰ সভ্য বহিষ্কাৰ ঃ যিকোনো সদস্যই সমিতিৰ নিয়মাৱলীৰ বিৰুদ্ধাচৰণ কৰিলে সভ্য পদৰ পৰা বহিষ্কাৰ কৰা হ'ব।

**15. Auditor qualified Auditor will be appointed by the Executive body who shell audit the accounts of the society at least once in a year and Annual Audit Report will be submitted to the Registrar of Societies Regularly.**

হিচাপ পৰীক্ষক ঃ এজন যোগ্যতা সমপন্ন হিচাপ পৰীক্ষকক কাৰ্য্যকৰী সমিতিয়ে এবছৰৰ কাৰণে নিয়োগ কৰিব আৰু তেওঁ বছৰত এবাৰ হিচাপ পৰীক্ষা কৰিব। হিচাপৰ প্ৰতিবেদন সাধাৰণ সভাই অনুমোদন কৰাৰ পিছ ত সমিতি সমূহৰ পঞ্জীয়কলৈ পঠিয়াই দিব লাগিব।

**16. Legal Procedure :-According to the provision laid down in the section 6 of the societies Registration Act-XXI of 1980, the Society may sue or may be sued in the name of the President and Secretary of the Society.**

আইন সম্পৰ্কীয় পৰিচালনা – সমিতি পঞ্জীকৰণ আইনৰ ১৮৬০ চনৰ ২১ ধাৰাৰ ৬ নং দফা অনুসাৰে সমিতিৰ সকলো আইন সম্পৰ্কীয় কাম কাৰ্যকৰী সমিতিৰ সভাপতি আৰু সম্পাদকৰ নামত পৰিচালনা হ'ব।

**17. Dissolution: - if necessary, the Society may be dissolved and the properties remained after dissolution may be handed over according to the provision laid down in the Section 13 and 14 of the Societies Registration Act-.XX\ of 1860.**

ভঙ্গকৰণ ঃযদি অনিবাৰ্য কাৰণবশতঃ সমিতিখন ভঙ্গ কৰি দিবলগীয়া হয় তেন্তে সমিতি পঞ্জীকৰণ আইনৰ ১৮৬০ চনৰ ২১ ধাৰাৰ ১৩ আৰু ১৪ নং দফা অনুসাৰে একে সাদৃশ্য থকা অনুষ্ঠানলৈ সা- সম্পতিবোৰ দান কৰিব লাগিব।

**18. Certified to be the true copy of the Rules & Regulation of (NAME OF THE SAMITY)**
(সমিতিৰ নাম লিখিব ) মূল নিয়মাৱলীৰ প্ৰকৃত নকলৰ প্ৰমাণ পত্ৰ দিয়া হ'ল।

টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ

**Teok C.K.B. College Alumni Association**

**Signature of the three Executive Members.**

তিনিগৰাকী কাৰ্যকৰী সদস্যৰ চহী

1. 2. 3.

# <u>INSTRUCTION FOR THE REGiSTRATiON OF ASOCiETY</u>

## সমিতি পঞ্জীয়নৰ নিৰ্দ্দেশাৱলী

1. Two sets of cleanly typed Memorandum of Association together with Rules and Regulations (preferably hand or aerzulaid papers should be used) duly signed by the President and the SecretaEY with the Seal of the Society to be submitted.
   দুখন পৰিষ্কাৰকৈ বা হাতে লিখা বা ছপা কৰা স্মাৰকলিপিৰ লগত সমিতিখনৰ সংবিধানখন সভাপতি/সভানেত্ৰী/ সম্পাদক/সম্পাদিকাৰ স্বাক্ষৰ আৰু চীল মোহৰ সহ দাখিল কৰিব লাগিব।

2. Every page of the documents furnished is to be initiated with date in the originai set of the documents either by the President or the Secretary with the office seals of the Society. The signature should always be dated.
   দাখিল কৰা স্মাৰকলিপি আৰু সংবিধান দুখনৰ এখনৰ প্ৰত্যেক পৃষ্ঠাতে সভাপতি/ সভানেত্ৰী/ সম্পাদক/সম্পাদিকাৰ স্বাক্ষৰ আৰু চীল মোহৰ সহ দাখিল কৰিব লাগিব।

3. Registration Fee of Rs.50.00 (Rupees fifty) only is payable forthe purpose through Treasury Chattan under the Head of

Account - 475-other General Economic Services- Fees underthe Societies Registration Act of 1860."

QC) .00

"38%Q- I

Copies of Resolution regarding the registration of the Society and election of the Members of the executive body with the list of members present in the General Meeting are to be furnished with the documents.
সাধাৰণ সভাৰ সমিতি গঠনৰ প্ৰস্তাৱ, পঞ্জীয়নৰ প্ৰস্তাৱ আৰু সভাত উপস্থিত থকা সদস্য/সদস্যা সকলৰ স্বাক্ষৰৰ তালিকাৰ ফ'টো কপি দাখিল
81 কৰিব লাগিব।

5. Ali the Executive Members (the president, Secretary and other Executive Members of the Society (whose number shall not be less than three) in the concerned list to sign with full name and date in the original copies of the Memorandum of Association and Rules & Regulation of the society in the presence of the Deputy Commissioner / Additional Deputy Commissioner / Sub-divisional Officer/ Revenue circle Officer, BDO, Executive Magistrate of the concerned district / Sub-division/ Revenue circle who will sign in each of the above mentioned documents with full name in block letter, date and designation in token of his /her having witnessed the same.
   স্মাৰকলিপি আৰু সংবিধানখনত সাক্ষী হিচাবে স্থানীয় উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, মহকুমাধিপতি, বা চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, কাৰ্য্যবাহী দণ্ডাধীশসাক্ষী হ'ব লাগিব। বিষয়া গৰাকীৰ তাৰিখসহ সম্পূৰ্ণস্বাক্ষৰ থাকিব লাগিব।

6. If the society claims that its office is situated on a land, owned by the Dag Number, Patta Number and proof of its ownership of the land should be furnished. If the office is situated in a rented building an affidavit from the house owner with proof of his ownership should be furnished.

৬। যদি সমিতিখনে নিজা মাটি থকা বুলি দাবি কৰে তেনেহ'লে তেওঁলোকে মাটি ডৰাৰ দাগ নং আৰু পট্টা নং সহ মাটিৰ গৰাকীৰ নথি-পত্ৰ দাখিল কৰিব লাগিব আৰু যদিহে সমিতিৰ কাৰ্যালয় ভাড়া ঘৰত থাকে তেতিয়াহ'লে ঘৰৰ মালিকৰ পৰা এখন এফিডেভিট আৰু মাটিৰ মালিকৰ প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব।

7. Passport size photos of the President and the Secretary to be furnished (two copies each).

৭। সভাপতি/ সভানেত্ৰী/ সম্পাদক/সম্পাদিকাৰ পাচঁপোৰ্ট আকাৰৰ ফ'টো কপি নিজ স্বাক্ষৰ সহ দাখিল কৰিব লাগিব।

8. If the Organization (proposed to be registered as a society) has been undertaking any activities during the preceding twelve month from the date of its application for registration, it should attach a ceftificate in original from the Deputy Commissioner / Sub-divisional Officer of the concemed district / Subdivision of these activities.
   পঞ্জীয়নৰ বাবে প্ৰস্তাৱিত অনুষ্ঠানখনে যদিহে এবছৰ ধৰি কাম কাজ কৰি থাকে তেনেহ'লে অনুষ্ঠানখনে স্থানীয় উপায়ুক্ত বা মহকুমাধিপতিৰ পৰা কাম-কাজৰ খতিয়ানৰ এখন প্ৰমাণ-পত্ৰ দাখিল কৰিব লাগিব।

9. Declaration from the President of the Secretary regai-ding the receipt of fund, If any from the Government or other agencies. There should be a categorical declaration in this respect-
   যদিহে অনুষ্ঠানখনে চৰকাৰী বা অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা কোনো অনুদান পায় তেনেহ'লে এখন ঘোষণাপত্ৰ (প্ৰ-পত্ৰ-৩) দাখিল কৰিব লাগিব। এই সংক্ৰান্তত পৰ্যায়ক্ৰমে ঘোষণাপত্ৰ থাকিব।